**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিনপিঙক সাক্ষাৎ কৰে। বৈঠকত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ পৰ্য্যালোচনা চলায়। প্ৰধানমন্ত্ৰীৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে, বৈঠকত শ্ৰীমোদীয়ে মতানৈক্যাই সম্পৰ্ক ব্যাহত কৰিব নালাগে। তেওঁ কয় যে, দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থৰ প্ৰতি সন্মান জনাবলৈ সন্মতি প্ৰকাশ কৰিছে। দুয়োখন দেশে সীমান্ত এলেকালৈ শান্তি-সম্প্ৰীতি ঘূৰাই অনাৰ বাবে কৌশলগত যোগাযোগ বৃদ্ধিৰ সপক্ষে মত পোষণ কৰিছে বুলি বিদেশ সচিবগৰাকীয়ে মন্তব্য কৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিকছ্ ৰাষ্ট্ৰসমূহক সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী সংগঠনক পুঁজি প্ৰদানৰ বিৰুদ্ধে একগোট হৈ পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰি তোলাৰ বাবে আহ্বান জনায়। আজি কাজানত অনুষ্ঠিত ব্ৰিকছ্ ৰাষ্ট্ৰসমূহৰ যোড়শ শীৰ্ষ সন্মিলনৰ পূৰ্ণাংগ অধিৱেশনত দিয়া ভাষণত শ্ৰী মোদীয়ে এইবিষয়ে প্ৰকাশ কৰি কয় যে, এনেধৰণৰ গুৰুতৰ বিষয় এটাৰ ক্ষেত্ৰত দ্বিমত ৰখাৰ অৱকাশ নাথাকে। তেওঁ লগতে ৰাষ্ট্ৰসংঘত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সন্ত্ৰাসবাদ সম্পৰ্কীয় বিবেচনাধীন বিষয় উত্থাপনৰ বাবে একগোট হৈ কাম কৰিবলৈও আহ্বান জনায়। তেওঁ লগতে চাইবাৰ সুৰক্ষাৰ বাবে গোলকীয় নীতি নিৰ্ধাৰণ, সুৰক্ষিতভাৱে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সম্প্ৰতি বিশ্বই চাইবাৰ সুৰক্ষা, প্ৰযুক্তি ক্ষেত্ৰত ভুৱা তথ্য ব্যৱহাৰকে ধৰি বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা পৰিপ্ৰেক্ষিতত ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ প্ৰতি প্ৰত্যাশা বৃদ্ধি পাইছে।

০০০

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই আজি সীমান্ত সুৰক্ষা বাহিনী, ৰাজ্যিক সীমান্ত আৰক্ষী, মাদক দ্ৰব্য নিয়ন্ত্ৰণ সঞ্চালকালয়ৰ প্ৰতিনিধি আৰু সংশ্লিষ্ট বিভিন্ন পক্ষৰ সৈতে সপ্তম ৰাজ্যিক পৰ্যায়ৰ স্থায়ী সমিতিৰ বৈঠকত মিলিত হয়। এই বৈঠকত আন্তঃসীমান্ত অপৰাধ নিয়ন্ত্ৰণৰ লগতে পশুধন সৰবৰাহ আৰু মাদক দ্ৰব্য সৰবৰাহ ৰোধ কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাৰ পৰ্যালোচনা কৰা হয়। বৈঠকত  কাছাৰ, কৰিমগঞ্জ, ধুবুৰী, আৰু দক্ষিণ শালমাৰা জিলাত ১২ খন অতিৰিক্ত সীমান্ত আৰক্ষী থানা স্থাপনৰ বিষয়ে আলোচনা কৰি পৰামৰ্শ দিয়া হয়। তদুপৰি সীমান্ত আৰক্ষী চকী আৰু তহলদাৰী চকীসমূহত পৰ্যাপ্ত জোৱান নিয়োগৰ বাবে বৈঠকত নিৰ্দেশ দিয়া হয়। এই বৈঠকত সীমান্ত সুৰক্ষা বাহিনীয়ে নৈপৰীয়া পথসমূহৰ বাহিৰে সমগ্ৰ সীমান্ত এলেকাত বেৰ দিয়া হৈছে বুলি জানিবলৈ দিয়ে। এই ব্যৱস্থাত আধুনিক আহিলাৰ দ্বাৰা বৈদ্যুতিন মাধ্যমেৰে পহৰাৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। সকলো সুৰক্ষা সংস্থাৰ সমন্বয়ৰ দ্বাৰা অবৈধ অনুপ্ৰৱেশকাৰীক প্ৰৱেশ কৰাত বাধা দিয়া হৈছে বুলিও তেওঁলোকে জানিবলৈ দিয়ে। বৈঠকত ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত শক্তিশালী পহৰা ব্যৱস্থাৰ পোষকতা কৰা হয়।

০০০

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কাইলৈ যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মূগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদ্‌যাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই প্ৰতিষ্ঠানটোৱে ৰেচম উদ্যোগ বিশেষকৈ মূগা আৰু এড়ী, ৰেচম সূতা উৎপাদনৰ ক্ষেত্ৰত বিগত ২৫ বছৰে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। কাইলৈ উদ্বোধনী অধিবেশনৰ পাছতেই প্ৰদৰ্শনী মুকলি, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ ইতিহাস দেৱাল আদি উন্মোচন, তথ্যচিত্ৰ আৰু স্মাৰক উন্মোচন, গ্ৰন্থ উন্মোচন কাৰ্যসূচী আদি লোৱা হ'ব। এই অনুষ্ঠানত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে কাইলৈ কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত সমৰ্থ শীৰ্ষক আঁচনি উদ্বোধনী অনুষ্ঠানত অংশ লব। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ সহযোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডে কাজিৰঙা প্ৰান্তীয় সম্প্ৰদায়ৰ শিপিনীসকলৰ বাবে সমৰ্থ আঁচনিৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ কৰিব। এই কাৰ্যসূচীৰ জৰিয়তে এশগৰাকী শিপিনীক সামৰি লব। কাইলৈৰ পৰা ৩ ডিচেম্বৰলৈ চলিবলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিপিনীসকলক জীৱিকাৰ বিকল্প সুযোগ দিব বুলি আশা কৰা হৈছে।

০০০

কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ ডিফুৰ বহুমুখী ক্ৰীড়া প্ৰকল্পত অসম ৰাজ্যিক কাৰাটে প্ৰতিযোগিতা আৰম্ভ হৈছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ উপস্থিতিত জিলাখনৰ অভিভাৱক মন্ত্ৰী তথা ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাই এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

অসমৰ আটাইকেইখন জিলা আৰু মহকুমাৰ ৩ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ ২৬ অক্টোবৰত সামৰণি পৰিব। চাব জুনিয়ৰ, কেডেট, জুনিয়ৰ আৰু ছিনিয়ৰ কেটেগৰিত প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৫ অক্টোবৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৭ অক্টোবৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০

সমাপ্ত